# চাইন্স এক্সপ্ৰেছ ঃ বায়'ডাইভাৰচিটি স্পেচিয়েল
# (SCIENCE EXPRESS : BIODIVERSITY SPECIAL)

চাইন্স এক্সপ্ৰেছ (Science Express) এখন নতুন ধৰণৰ ভ্ৰাম্যমাণ প্ৰদৰ্শনী যাক বিশেষভাৱে নিৰ্মাণ কৰা ১৬টা ডবা বিশিষ্ট এখন শীত-তাপ নিয়ন্ত্ৰিত ৰেলগাড়ীৰ ওপৰত সজোৱা হৈছে। ২০০৭ চনৰ অক্টোবৰ মাহৰ পৰা ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ এই ৰেলগাড়ীয়ে ভ্ৰাম্যমাণ প্ৰদৰ্শনী কৰিছে। মুঠ চাৰিটা পৰ্যায়ত ভাৰত ভ্ৰমণ সফলতাৰে সমাপ্ত কৰাৰ পাছত এই ৰেলগাড়ীখন ২০১২ চনৰ পৰা Science Express Biodiversity Special (SEBS) হিচাপে ভাৰত চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা বিভাগ, আৰু পৰিবেশ আৰু বন মন্ত্ৰণালয়ৰ এক বিশেষ ধৰণৰ যুটীয়া উদ্যোগত এক নতুন ৰূপ লয়।

SEBS-ৰ ২০১৩ সংস্কৰণটো দিল্লীৰ ছফদৰজং ৰেলৰে ষ্টেচনৰ পৰা যোৱা ৯ এপ্ৰিল তাৰিখে পতাকা জোকাৰি শুভাৰম্ভ কৰে দিল্লীৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুতা শীলা দীক্ষিত, মাননীয় কেন্দ্ৰীয় ৰেলমন্ত্ৰী শ্ৰীযুত পবন কুমাৰ বানচাল আৰু মাননীয় পৰিবেশ আৰু বনমন্ত্ৰী শ্ৰীযুতা জয়ন্তী নটৰাজনে। এই যাত্ৰাত ৰেলগাড়ীখনে চলিত বৰ্ষৰ ৯ এপ্ৰিলৰ পৰা ২৮ অক্টোবৰলৈকে মুঠ ৬২ টা অঞ্চল ভ্ৰমণ কৰিব আৰু প্ৰত্যেকটো অঞ্চলতে প্ৰদৰ্শনীখন ৩-ৰ পৰা ৪ দিনৰ বাবে দৰ্শনাৰ্থীৰ বাবে মুকলি ৰাখিব।

২০০৭ অক্টোবৰ আৰম্ভ কৰাৰে পৰা এই SEBS প্ৰদৰ্শনী ৰেলগাড়ীখনে ইতিমধ্যে গোটেই দেশ জুৰি ৮৬,০০০ কিলোমিটাৰতকৈও বেছি দূৰত্ব অতিক্ৰম কৰিছে। ৰেলগাড়ীখনে এতিয়ালৈকে মুঠ ১,০০০ টা প্ৰদৰ্শনী-দিনত ২৭০ টা ৰেল আস্থানত দেখুওৱা এই কাৰ্যসূচী প্ৰায় ৮৭ লাখ দৰ্শনাৰ্থীয়ে উপভোগ কৰাৰ সুবিধা লাভ কৰিছে।

SEBS হৈছে ভাৰতবৰ্ষৰ আটাইতকৈ বিশাল, দীৰ্ঘতম আৰু আটাইতকৈ বেছি দৰ্শনাৰ্থীয়ে দৰ্শন কৰা ভ্ৰাম্যমাণ বিজ্ঞান প্ৰদৰ্শনী। ইতিমধ্যে এই প্ৰদৰ্শনীয়ে আন কেইবাটাও অভিলেখ সৃষ্টি কৰিছে। ২০১১-২০২০ দশকটোক 'ৰাষ্ট্ৰসংঘৰ জৈৱ-বৈচিত্ৰ্য' আৰু 'ৰাষ্ট্ৰসংঘৰ মৰুভূমি আৰু মৰুকৰণ প্ৰক্ৰিয়া বিৰোধী দশক' হিচাপে ঘোষণা কৰা হৈছে। গতিকে, সম্প্ৰতি SEBS ৰেলগাড়ীখনে প্ৰধানকৈ 'জৈৱ বিচিত্ৰতা'কে মুলমন্ত্ৰ কৰি চলিছে। ভাৰতবৰ্ষই ইতিমধ্যে ২০১২ চনত হায়দৰাবাদত COP-11 আৰু CBD অনুষ্ঠিত কৰিছে আৰু SEBS ২০১২ ৰেলগাড়ীখনে COP-11-ৰ 'ব্ৰেণ্ড এম্বেচাদৰ' হিচাপে দেশৰ বৃহৎ জৈৱ-বৈচিত্ৰ্য তথা সেইবোৰ সংৰক্ষণৰ বাবে লোৱা ব্যৱস্থাসমূহ সফলতাৰে বিশ্বৰ আগত দাঙি ধৰিবলৈ সক্ষম হৈছে।

SEBS-ত থকা এই অত্যাধুনিক প্ৰদৰ্শনীখনে সমাজৰ বিভিন্ন স্তৰৰ লোকৰ লগতে বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভাৰতবৰ্ষৰ জৈৱ-বৈচিত্ৰ্য, জলবায়ুৰ সাল-সলনি আৰু একে ধৰণৰ সমস্যাসমূহৰ বিষয়ে সজাগতা সৃষ্টিৰ প্ৰয়াস কৰি আহিছে। এই প্ৰদৰ্শনীখনে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষকসকলকো সামৰি এক বৃহৎ সংখ্যক দৰ্শকক উদ্দেশ্য কৰি লৈছে।

SEBS-ৰ ওপৰত থকা ১৬টা ডবাৰ ভিতৰত ৮টাত পৰিবেশ আৰু বন মন্ত্ৰণালয় (MoEF)-ৰ সহযোগত ভাৰতৰ বিভিন্ন জৈৱ-ভৌগোলিক অঞ্চলত বিস্তৃত হৈ থকা জৈৱ-বৈচিত্ৰ্যক

উপস্থাপন কৰিবলৈ ব্যৱহাৰ কৰা হৈছে। এইবিলাকৰ ভিতৰত গংগা উপত্যকা, উত্তৰ-পূৰ্বাঞ্চল, মৰুভূমি অঞ্চল, পশ্চিম ঘাট, দক্ষিণৰ দীপপুঞ্জমালা আদি অন্তৰ্গত।

যত্ন সহকাৰে সংৰক্ষিত প্ৰদৰ্শনীৰ সামগ্ৰীৰে ভৰপূৰ ৰেলখনৰ ডবাসমূহৰ এটা ডবা হৈছে HSBC-ৰ দ্বাৰা সমৰ্থিত জলবায়ু পৰিৱৰ্তন, জৈৱ-বৈচিত্ৰ্য আৰু জল সম্পৰ্কিত ডবা। আন এটা ডবাত UL India-ৰ দ্বাৰা সমৰ্থিত Exhibition on Green Technologies আৰু তাৰ পিছৰ এটা ডবাত Swiss Embassy-ৰ দ্বাৰা সমৰ্থিত জলবায়ু পৰিৱৰ্তনৰ প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ পিছৰ অন্য এটা ডবাত আকৌ সৰু সৰু ল'ৰা-ছোৱালীৰ খেল-ধেমালিৰ সামগ্ৰী, পৰিবেশ-মণ্ডল, Games & Puzzles in Science আৰু গণিতৰ খেল ইত্যাদিৰ ব্যৱস্থা আছে। ইয়াৰ লগতে এটা আলোচনা কেন্দ্ৰ তথা প্ৰশিক্ষণ কেন্দ্ৰও সংলগ্ন আছে।

এই প্ৰদৰ্শনীখন ফলপ্ৰসূ কৰাত সহযোগী সংগঠনবিলাকৰ যথেষ্ট অৱদান আছে। MoEF-ৰ সহযোগী DST-এ জৈৱ-বৈচিত্ৰ্যৰ বিষয়ত প্ৰদৰ্শনী উপস্থাপন কৰি আহিছে। আহমেদাবাদস্থিত CEE (Centre for Environment Education) আৰু VASCSC (Vikram A Sarabhai Community Science Centre)-এ এই বিশেষ প্ৰদৰ্শনীখনক গতি প্ৰদান কৰিছে। তদুপৰি, UL India আৰু Indus Towers নামৰ দুই সংগঠনে প্ৰদৰ্শনীখনক সহায় আৰু সমৰ্থন আগবঢ়াইছে।

DST-ৰ দ্বাৰা সমৰ্থিত VASCSC-ৰ ওপৰত এই কাৰ্যসূচী সমগ্ৰ ভাৰতবৰ্ষত পৰিচালনাৰ বাবে কাৰ্যভাৰ ন্যস্ত কৰা হৈছে। VASCSC-ৰ দলটো অভিজ্ঞ, প্ৰশিক্ষণপ্ৰাপ্ত, চালিকা-শক্তিসম্পন্ন আৰু চতুৰ বিজ্ঞান সমন্বয়ৰক্ষী দল। তেওঁলোকে ৰেলগাড়ীখনত থাকি দৰ্শনাৰ্থীসকলৰ সকলো ধৰণৰ প্ৰশ্নৰ সমাধান দিয়াৰ লগতে এই প্ৰদৰ্শনী উপভোগ কৰাত সহায় কৰিবলৈ সদা প্ৰস্তুত থাকে।

এই SEBS ৰেলগাড়ীখনৰ প্ৰধান উদ্দেশ্য হৈছে দেশখনৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক সমাজক দেশৰ জৈৱ-বিচিত্ৰতা সম্পৰ্কে সজাগ কৰি তোলা।

এই বিশেষ Science Express Exhibition-ৰ কাৰ্য সফল-কাম কৰিবলৈ সহযোগী সকলো বিভাগ, জনসংযোগ মাধ্যম আৰু সদাশয় ব্যক্তিসকলক বিনম্ৰ অনুৰোধ জনোৱা হ'ল।

উল্লেখযোগ্য যে, সকলো লোকৰ বাবে পুৱা ১০-০০ বজাৰ পৰা আবেলি ৫-০০ বজালৈ এই ভ্ৰাম্যমাণ প্ৰদৰ্শনীৰ দ্বাৰ মুকলি থাকিব। লগতে, বিশেষকৈ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰদৰ্শনীৰ বিশেষ ব্যৱস্থাও ৰখা হৈছে।

অধিক তথ্যৰ বাবে www.sciencexpress.in চাব পাৰিব অথবা ইয়াৰ বাবে 09428405407 (Project Manager) নম্বৰত যোগাযোগ কৰক।

**মন কৰিবলগীয়া কথা ঃ**

* এই প্ৰদৰ্শনী সকলোৰে বাবে মুকলি।
* এই প্ৰদৰ্শনী চাবলৈ কোনো প্ৰৱেশ মাচুল নালাগে।
* এই Science Express-ৰ ভিতৰলৈ মোবাইল, কেমেৰা, বেগ, জুইশলা, বিড়ি-চিগাৰেট, ধপাত, মাদক-দ্ৰব্য আৰু যিকোনো ধৰণৰ চোকা অস্ত্ৰ আদি নিয়া নিষেধ।
* প্ৰদৰ্শনীৰ স্থান ঃ নিৰ্ধাৰিত নগৰ বা চহৰৰ ৰেল ষ্টেচন।
* সময় ঃ পুৱা ১০-০০ বজাৰ পৰা আবেলি ৫-০০ বজালৈ।